**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 10-01-2026 **Time :** 1100 Hrs.

0000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাই কালি এখন বৈঠকত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে অহা ১৭ জানুৱাৰীৰ বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। ১৮ জানুৱাৰীত তেওঁ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব ।

০০০০০০০

অসম মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া সবল কৰাৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ পাঁচজনীয়া এটা দল নিযুক্তিত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই অধিবক্তাৰ দলটোৱে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে আদালতত যুঁজ দিব। মন্ত্ৰীসভাই লগতে অসমবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে পৰিয়াল আৰু শুভাকাংক্ষীয়ে গঠন কৰা জুবিন গাৰ্গ ন্যাসলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ বৰঙণি আগবঢ়োৱাত অনুমোদন জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে 'এটি কলি, দুটি পাত' নামৰ বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। অহা ২৫ জানুৱাৰীত ডুমডুমাত এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

বাইট ..... চি এম

মন্ত্ৰীসভাই বড়ো সাহিত্য সভাক এটা বহুমুখী প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ বেতকুছিত এবিঘা ভূমি আবণ্টনত অনুমোদন জনায়। তদুপৰি মৰিগাঁও, ডিব্ৰুগড় আৰু কাছাৰকে ধৰি কেইবাখনো জিলাত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত বহু পৰিমাণৰ ভূমিত আবণ্টন জনোৱা হয়।

০০০০০০০

ৰাজ্য চৰকাৰে বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দিল্লীলৈ প্ৰেৰণ কৰিব। ভৈয়াম জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংবাদিকৰ আগত কালি এই কথা প্ৰকাশ কৰি কয়, যে এই প্ৰতিবেদনৰ কোনো সংশোধন নহয়। ইয়াৰ পৰিৱৰ্তে প্ৰতিবেদনখনত থকা দুই-এটা

আসোঁৱাহ শুদ্ধ কৰি আৰু কেন্দ্ৰীয় চৰকাৰে বিচৰা তিনিটা বিষয় স্পষ্ট কৰি প্ৰতিবেদনখন প্ৰেৰণ কৰা হ’ব। ডাঃ পেগুৱে কয়, যে বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ ছটা জনগোষ্ঠীক কিদৰে জনজাতিকৰণ কৰা হ’ব, সংৰক্ষণৰ ব্যৱস্থা কেনেকুৱা হ’ব আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাৰ পৰা ছটা জনগোষ্ঠী ওলাই যোৱাৰ পাছত বাকী থকা জনগোষ্ঠীসমূহৰ সংৰক্ষণ কিমান শতাংশ হ’ব, সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰে স্পষ্টতা বিচাৰিছে। প্ৰতিবেদনখনত মটক জনগোষ্ঠী সন্দৰ্ভত থকা এটা তথ্যগত ভুল শুধৰণিৰ বাবে আবেদন জনোৱা হৈছিল আৰু সম্প্ৰতি ইয়াৰ শুধৰণি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

0000000

মানাহ ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আমাৰ বাক্সা জিলাৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰীয় উদ্যানখন পৰিভ্ৰমণ কৰিবলৈ অহা পৰ্যটকে প্ৰতিদিনে ঢেকীয়াপটীয়া বাঘৰ মুক্ত বিচৰণৰ দৃশ্য উপভোগ কৰিবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জত তিনিটাকৈ ঢেকীয়াপটীয়া বাঘৰ মুক্ত বিচৰণ প্ৰত্যক্ষ কৰি পৰ্যটকসকল আপ্লুত হৈ পৰে আমাৰ সংবাদদাতাই জনাইছে।

oooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত আজি নিশা ৮ বাজি ২ মিনিটত ‘মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত’ শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানত ভাগ ল’ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

oooooooo

লখিমপুৰৰ বগীনদীৰ গজাই-মনাই ক্ষেত্ৰত কালি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আশা সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত ধলপুৰ, নাওবৈছা, উত্তৰ লখিমপুৰ, বগীনদী, ঘিলামৰা আৰু ঢকুৱাখনা খণ্ডৰ ৫ শতাধিক আশাকৰ্মীয়ে অংশগ্ৰহণ কৰে।

oooooooo

ooooooooo